জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬১/২০২১

**ভিডিঅ’ কনফাৰেন্সযোগে ৰাজ্যৰ ৯ খন জিলাৰ ক’ভিড পৰিস্থিতিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ**

# ক’ভিড নিয়ন্ত্ৰণৰ ব্যৱস্থাৱলী কঠোৰভাৱে বলৱৎ কৰিবলৈ মুখ্যমন্ত্ৰী নিৰ্দেশ

**দিছপুৰ, ১১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত আৰু অন্যান্য শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত জনতা ভৱনৰ পৰা ভিডিঅ’ কনফাৰেন্সযোগে ক’ভিড পজিটিভৰ হাৰ বৃদ্ধি হৈ থকা ৰাজ্যৰ ৯ খন জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে ক’ভিড পৰিস্থিতিৰ বিতং পৰ্যালোচনা কৰে। এই জিলা কেইখন হৈছে বিশ্বনাথ, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, কামৰূপ মহানগৰ, লখিমপুৰ, নগাঁও, শোণিতপুৰ আৰু শিৱসাগৰ।

জিলা কেইখনৰ সাম্প্ৰতিক পৰিস্থিতি বিতং পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে ক’ভিডৰ সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে লোৱা পদক্ষেপলানি একাংশ লোকে উলংঘা কৰাৰ ফলত ভাইৰাছৰ পুনৰ সংক্ৰমণ বৃদ্ধিৰ বিষয়টোক লৈ উদ্বেগ প্ৰকাশ কৰে। নগৰাঞ্চল, গ্ৰামাঞ্চল আৰু চাহ বাগিচাসমূহত জনসাধাৰণে সমবেত হোৱা স্থানসমূহ চিনাক্ত কৰি সমগ্ৰ জিলাতেই ক’ভিড নিয়ন্ত্ৰণৰ নীতি-নিৰ্দেশনা কঠোৰভাৱে বলৱৎ কৰাৰ বাবে তেওঁ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

এই পৰ্যালোচনা বৈঠকত সংশ্লিষ্ট জিলাসমূহৰ উপায়ুক্ত তথা আৰক্ষী অধীক্ষকসকলক সমগ্ৰ জিলা ব্যাপক পৰিদৰ্শনৰ লগতে মুখ্যমন্ত্ৰীয়ে দণ্ডাধীশসকলৰ মাজত একোটা নিৰ্দিষ্ট অঞ্চল ধাৰ্য কৰি নিৰীক্ষণ ব্যৱস্থা অধিক সক্ৰিয় কৰিবলৈও নিৰ্দেশ দিয়ে। বৃহৎসংখ্যক লোক সমবেত হোৱা অঞ্চলসমূহ চিনাক্ত কৰি যাতে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব পৰা যায় সেই উদ্দেশ্যে ড্ৰ’ণ যোগে নিৰীক্ষণ ব্যৱস্থা আৰম্ভ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাই থকা জিলাসমূহত ব্যাপক টিকাকৰণৰ উপৰি তেনে জিলাৰ সীমা তথা পথসমূহত অনাধিকাৰ প্ৰৱেশ ৰোধৰ অৰ্থে অহৰ্নিশে নিৰীক্ষণ ব্যৱস্থা কৰিবলৈও জিলা উপায়ুক্ত তথা আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাই।

মুখ্যমন্ত্ৰীয়ে কয় যে সম্পূৰ্ণ কণ্টেইনমেণ্ট জ’ন হিচাপে ঘোষিত হোৱা জিলাসমূহত দোকান-পোহাৰসমূহ যাতে বন্ধ হৈ থাকে আৰু গ্ৰামাঞ্চলৰ বজাৰসমূহত জনসাধাৰণক সমবেত হোৱাৰ পৰা যাতে বিৰত ৰাখিব পাৰি সেই উদ্দেশ্যে জ্যেষ্ঠ বিষয়াসকলক তেনে স্থান পৰিদৰ্শনৰ বাবে দায়িত্ব অৰ্পণ কৰিব লাগিব। তেওঁ লগতে কয় যে সকামকে ধৰি আন পাৰিবাৰিক অনুষ্ঠানসমূহত যথেষ্ট সংখ্যক লোকৰ সমাগম হয় আৰু ইয়াৰ ফলত ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পোৱা দেখা গৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ক্ষেত্ৰত গ্ৰামাঞ্চলৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ অৰ্থে গাঁওবুঢ়াসকলৰ সহযোগত চক্ৰ বিষয়াসকলে পদক্ষেপ ল’ব লাগিব।

চুলাই মদৰ ঘাটিসমূহ ক’ভিড-১৯ সংক্ৰমণৰ অন্যতম উৎস হৈ পৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে এনে সকলো ঘাটি উৎখাত কৰিবলৈ জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে। সাম্প্ৰতিক মহামাৰী ৰোধৰ ক্ষেত্ৰত জনসচেতনতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰি তেওঁ গ্ৰামাঞ্চল আৰু চাহ বাগিচাসমূহত

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

ব্যাপক সজাগতা অভিযান চলাবলৈও নিৰ্দেশ প্ৰদান কৰে।

আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মিছন সঞ্চালক লক্ষ্মণন এছ তথা অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ / নিঃকুঃদাঃ**
**১১/০৭/২০২১**